**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

উচ্চতম ন্যায়ালয়ে কালি অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৭১ চন বাহাল থাকিব বুলি ৰায়দান কৰে। নাগৰিকত্ব আইনৰ ৬(ক) নম্বৰ দফা অনুসৰি সৰ্বোচ্চ ন্যায়ালয়ে এই ৰায় প্ৰদান কৰে। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত পাঁচজনীয়া বিচাৰপীঠে কালি এই ৰায়দান কৰে। উচ্চতম ন্যায়ালয়ৰ এই ৰায়দানৰ পাছতেই ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলে সৰ্বোচ্চ ন্যায়ালয়ৰ এই ৰায়দানক আৰদণি জনাই আনন্দ প্ৰকাশ কৰে। ছাত্ৰ সংগঠনটোৰ শিৱসাগৰ জিলা গোটে কালি সন্ধিয়া শিৱসাগৰ নগৰত ফতকা ফুটাই আনন্দ প্ৰকাশ কৰাৰ লগতে অসম আন্দোলনত শ্বহীদ হোৱা সকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন জনায়। ছাত্ৰকৰ্মীসকলে সংগঠনটোৰ জিলা কাৰ্যালয়ৰ শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে। এই ৰায়ে অসম আন্দোলন আৰু অসম চুক্তিৰ যুক্তিযুক্ততা পুনৰ প্ৰতিষ্ঠা কৰা বুলি সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে আকাশবাণীৰ সৈতে হোৱা সাক্ষাৎকাৰত প্ৰকাশ কৰে-

**বাইট (সমীৰণ ফুকন)**

oooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কাতি বিহু উপলক্ষে ৰাইজক শুভেচ্ছা জ্ঞাপন কৰি কয় যে, কাতি বিহুৰ ঐতিহ্য পৰম্পৰা আকাশবন্তিৰ পোহৰে ন-আশাৰ সঞ্চাৰ কৰি অসমীয়াৰ সমাজ জীৱন উজ্বলাই তোলে। তুলসী তলৰ বন্তিয়ে পৱিত্ৰতা কঢ়িয়াই আনে। কালি দিহিংচাং বহুমুখী সমবায় সমিতিৰ উদ্যোগত আৰু বৃহত্তৰ টিংখাঙৰ কৃষিজীৱী ৰাইজৰ সহযোগত টিংখাঙৰ নখাট লেঙেৰীপথাৰত আয়োজিত কাতি বিহু পালন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, তৰংগ গগৈ, তেৰছ গোৱালাৰ লগতে বহু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

oooooo

অসমৰ পৰ্বতাৰোহী নৱ কুমাৰ ফুকনে ৮ হাজাৰ ৮৮৪ মিটাৰ উচ্চতাৰ নিউ গিনি দ্বীপৰ পুনকাক জয়া বা কাৰ্ষ্টেন্স পিৰামিড আৰোহণ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। কাৰ্ষ্টেন্স পিৰামিড হ'ল ইণ্ডোনেছিয়াৰ সৰ্বোচ্চ শৃংগ। ইণ্ডোনেছিয়াৰ মধ্য পাপুৱাৰ মিমিকা ৰিজেন্সিৰ হাইলেণ্ডৰ চুদিৰমান ৰেঞ্জত এই পৰ্বত অৱস্থিত। নৱ কুমাৰ ফুকনে ১৪ অক্টোবৰত এই অভিযান সফলভাৱে সম্পন্ন কৰিবলৈ সমৰ্থ হয়। ফুকনে অন এন জি চিৰ চি এছ আৰ পদক্ষেপৰ অধীনত লাইপলেং তৈলক্ষেত্ৰ এলেকাৰ স্থানীয় যুৱকৰূপে অন এন জি চি অসম এচেটৰ পৃষ্ঠপোষকতাত এই অভিযান চলাইছিল।

oooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন কৰা হ'ব। দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰীৰ সংবাদ সন্মিলন কক্ষত বিয়লি চাৰি বজাত নিৰ্বাচিত উদ্যোগীলৈ দুই লাখ আৰু ৫ লাখ টকাকৈ আগবঢ়োৱা হ'ব। উদ্যোগীসকললৈ আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা এই অনুষ্ঠানত মুখ্য অতিথি

হিচাপে হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ লগতে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ বাবে আগ্ৰহী অৰ্হতাসম্পন্ন আবেদনকাৰীসকলে পঞ্জীয়ন কৰিব পাৰে। চি এম এ এ এ প'ৰ্টেল cmaaa.assam.gov.in ত প্ৰথমে নিজৰ নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰকল্পৰ প্ৰতিবেদন জমা দিব পাৰিব। নিজৰ সম্পূৰ্ণ নাম, ম'বাইল নম্বৰ, ই-মেইল আই ডি আদি প্ৰদান কৰি প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব। সাধাৰণ শ্ৰেণীৰ বাবে পঞ্জীয়ন মাচুল ২০০ টকা আৰু অনুসূচীত জাতি-জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে ১০০ টকা অনলাইন মাধ্যমেৰে জমা দিব লাগিব। সফল পঞ্জীয়নৰ অন্তত প্ৰাপ্তি স্বীকাৰৰ ৰচিড ডাউনলোড কৰিব পাৰিব। পঞ্জীয়নৰ প্ৰ-পত্ৰত উল্লেখ কৰা নাম প্ৰাৰ্থীৰ পৰিচয়পত্ৰ, বেংকৰ পাচবুক আদিৰ সৈতে একে হোৱাটো বাঞ্চনীয়। আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা আৰু অসমত বসবাস কৰা ব্যক্তি হ'ব লাগিব। নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত হ'ব লাগিব। আবেদনকাৰীৰ বয়স ১ এপ্ৰিল ২০২৪ত  ২৮ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। অনাবৃত্তিমূলক শাখাৰ প্ৰাৰ্থীসকলৰ বাবে দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। ইফালে বৃত্তিমূলক শাখাৰ প্ৰাৰ্থীসকলৰ বাবে অভিযান্ত্ৰিক, মেডিচিন, কৃষি, পশু আৰু মীণ পালন আদি খণ্ডৰ চাৰি বছৰীয়া স্নাতক হোৱাটো বাঞ্চনীয়।০০০০

০০০০০০

সমাপ্ত